জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১৮৯/২০২২**

## *বানপীড়িতলৈ সাহায্য আৰু পুনৰ সংস্থাপনৰ ব্যৱস্থাৱলীৰ পৰ্যালোচনা মুখ্যমন্ত্ৰীৰ*

## শিবিৰত আশ্ৰয় লোৱা প্ৰতিটো পৰিয়ালে বস্ত্ৰ, ঘৰুৱা আচবাব আদিৰ ক্ষতিপূৰণৰ বাবদ পাব ৩,৮০০ টকাকৈ ঃ বানত ক্ষতিগ্ৰস্ত গৃহৰ গৰাকীলৈও প্ৰদান কৰা হ'ব ক্ষতিপূৰণ

## আশ্ৰয় শিবিৰত থকা শিক্ষাৰ্থীলৈ কিতাপ-পত্ৰৰ বাবদ ১,০০০ টকাকৈ প্ৰদান কৰা হ'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩০ জুন** ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ শেহতীয়া বান পৰিস্থিতি আৰু বানপীড়িত লোকসকললৈ আগবঢ়োৱা সাহায্য ব্যৱস্থাৱলীৰ পৰ্যালোচনা কৰাৰ উদ্দেশ্যৰে আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাকক্ষৰ পৰা ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাযোগে উপায়ুক্তসকলৰ সৈতে এখন বৈঠকত মিলিত হয়।

মুখ্যমন্ত্ৰীয়ে এই ভিডিঅ' কনফাৰেন্সিঙৰ সময়ত প্ৰতিগৰাকী উপায়ুক্তৰ পৰা বানপানীৰ ক্ষয়ক্ষতি তথা সাহায্য-সামগ্ৰী প্ৰদান সম্পৰ্কত লোৱা ব্যৱস্থাৱলীৰ বিতং বুজ লৈ বানত প্ৰকৃততে প্ৰভাৱিত হোৱা কোনো এগৰাকী ব্যক্তিয়েই যাতে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা প্ৰদান কৰা সাহায্যৰ পৰা বঞ্চিত হ'ব লগা নহয় আৰু বানৰ দ্বাৰা প্ৰভাৱিত নোহোৱা এজন লোকেও যাতে অনিয়মেৰে সাহায্য তথা পুনৰ সংস্থাপনৰ সুবিধা ল'ব নোৱাৰে সেয়া সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ কয় যে চৰকাৰে স্থাপন কৰা আশ্ৰয় শিবিৰৰ উপৰিও ৰাষ্ট্ৰীয় ঘাইপথ, ৰে'লপথ আদিৰ দৰে ঠাইত যিসকল বানাক্ৰান্তই নিজাববীয়াকৈ আশ্ৰয় গ্ৰহণ কৰি আছে তেনে প্ৰতিটো পৰিয়াললৈ বস্ত্ৰ, ঘৰুৱা আচবাব আদিৰ ক্ষতিপূৰণৰ বাবদ ৩,৮০০ টকাকৈ ৰাজ্য চৰকাৰে প্ৰদান কৰিব। এই উদ্দেশ্যে আজিৰ পৰ্যালোচনা বৈঠকত এনেদৰে আশ্ৰয় গ্ৰহণ কৰি থকা লোকসকলৰ এখন তালিকা প্ৰস্তুত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দি কয় যে জিলা উপায়ুক্তসকলে ইয়াৰ বাবে এখন পঞ্জীয়ন বহী প্ৰস্তুত কৰিব আৰু পৰিয়ালৰ মুৰব্বীৰ আধাৰ নাইবা ভোটাৰ পৰিচয় পত্ৰৰ নম্বৰ সংগ্ৰহ কৰিব। এই তালিকাৰ ভিত্তিত আশ্ৰয় শিবিৰত থকা পৰিয়ালসমূহে সাহায্যৰ ধনৰাশি লাভ কৰিব।

ড° শৰ্মাই আজিৰ এই বৈঠকতে সাম্প্ৰতিক বানত সম্পূৰ্ণকৈ ক্ষতিগ্ৰস্ত, বেয়াকৈ ক্ষতিগ্ৰস্ত আৰু আংশিকভাৱে ক্ষতিগ্ৰস্ত হোৱা গৃহৰ জৰীপ চলাবলৈ নিৰ্দেশ দিয়ে। তেওঁ কয় যে কাইলৈৰ পৰা আৰম্ভ হ'বলগীয়া এই জৰীপৰ ভিত্তিত অহা ১৫ জুলাইৰ ভিতৰত এখন তালিকা প্ৰস্তুত কৰা হ'ব আৰু প্ৰতিখন

জিলাৰ অভিভাৱক মন্ত্ৰী তথা সচিবে ক্ষেত্ৰভিত্তিক পৰিদৰ্শন কৰি এই তালিকাৰ সত্যাসত্য নিৰূপণ কৰিব। পৰৱৰ্তী ২০ জুলাইৰ পিছত জিলাসমূহৰ অভিভাৱক মন্ত্ৰী আৰু সচিবৰ উপস্থিতিত আনুষ্ঠানিকভাৱে ঘৰ-বাৰী ক্ষতিগ্ৰস্ত হোৱা লোকসকলক সাহায্যৰ ধনৰাশি প্ৰদানৰ ব্যৱস্থা কৰা হ'ব।

আজিৰ এই বৈঠকতে মুখ্যমন্ত্ৰীয়ে বানাক্ৰান্তৰ পশুধন, তাঁতশালকে ধৰি অন্যান্য সামগ্ৰীৰ ক্ষয়ক্ষতি আৰু বানত শাৰীৰিকভাৱে আঘাতপ্ৰাপ্ত হোৱা লোকৰ এখন তালিকা প্ৰস্তুতৰ বাবেও নিৰ্দেশ দিয়ে। এই তালিকাখন চক্ৰ বিষয়া পৰ্যায়ত গঠিত টাস্ক ফ'ৰ্চে অহা ৭ আগষ্টৰ ভিতৰত প্ৰস্তুত কৰিব আৰু পৰৱৰ্তী পৰ্যায়ত সেইমৰ্মে সাহায্য প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। তদুপৰি শিবিৰ বা অন্য স্থানত আশ্ৰয় গ্ৰহণ কৰি থকা বান প্ৰভাৱিত যিসকল ছাত্ৰ-ছাত্ৰীৰ কিতাপ-পত্ৰকে ধৰি প্ৰয়োজনীয় শিকণ আচবাব-পত্ৰ বিনষ্ট হৈছে সেইসকল বিদ্যাৰ্থীৰ পৰৱৰ্তী পৰ্যায়ত অধ্যয়নৰ সুবিধাৰ্থে ৰাজ্য চৰকাৰে ১,০০০ টকাকৈ প্ৰদান কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ইয়াৰ বাবে ১৫ জুলাইৰ ভিতৰত এখন তালিকা প্ৰস্তুত কৰিবলৈও তেওঁ উপায়ুক্তসকলক নিৰ্দেশ দিয়ে।

সাহায্য প্ৰদান তথা পুনৰ সংস্থাপনৰ এই সমগ্ৰ প্ৰক্ৰিয়াটো অহা ১৫ আগষ্টৰ ভিতৰত যাতে সম্পূৰ্ণ হয় সেয়া সুনিশ্চিত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে জিলা উপায়ুক্তসকলক নিৰ্দেশ প্ৰদান কৰে। তেওঁ কয় যে সাম্প্ৰতিক বানত প্ৰভাৱিত হোৱা ৰাজ্যৰ সকলো লোকলৈ যথাসম্ভৱ কম সময়ৰ ভিতৰতে সহায়ৰ হাত আগবঢ়াবৰ বাবে ৰাজ্য চৰকাৰে প্ৰচেষ্টা হাতত লৈছে। এই সমগ্ৰ সময়ছোৱাত অভিভাৱক মন্ত্ৰী তথা সচিবসকলে নিজ নিজ জিলা পৰিদৰ্শন কৰি সমগ্ৰ ব্যৱস্থাৱলীৰ বুজ লৈ থাকিব বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে লগতে সদৰী কৰে যে ইয়াৰ পৰৱৰ্তী পৰ্যায়ত সাম্প্ৰতিক বানত যিবোৰ মথাউৰি তথা পথ ক্ষতিগ্ৰস্ত হৈছে সেইসমূহৰ আন্তঃগাঁথনিৰ মেৰামতি বা পুনৰ নিৰ্মাণৰ  কাম ৰাজ্য চৰকাৰে আৰম্ভ কৰিব।

আজিৰ এই ভিডিঅ' কনফাৰেন্সৰ সময়ত মুখ্যমন্ত্ৰীৰ সভাকক্ষত মন্ত্ৰী অশোক সিংহল, পীযুষ হাজৰিকা, নন্দিতা গাৰ্লোছা, মুখ্য সচিব জিষ্ণু বৰুৱাকে ধৰি কেইবাগৰাকী জ্যেষ্ঠ বিষয়া আৰু ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে উপায়ুক্তসকলৰ সৈতে কেবিনেট মন্ত্ৰী, জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

**নিঃকুঃদাঃ**
**৩০/০৬/২০২২**